# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 15-08-2025
**Time :** 0650 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। সমগ্ৰ দেশে আজি ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিছে।

২। ভাৰত ২০৪৭ চনৰ ভিতৰত উন্নত অৰ্থ ব্যৱস্থা হোৱাৰ দিশে ধাৱমান হৈছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে।

৩। ৰাষ্ট্ৰপতি মুৰ্মুৱে তেওঁৰ ভাষণত আয়ুষ্মান ভাৰতৰ অধীনত বিভিন্ন উদ্যমসমূহে স্বাস্থ্য খণ্ডত আমূল পৰিৱৰ্তনৰ সূচনা কৰা বুলি অভিহিত কৰিছে।

৪। আলাস্কাত আজি আমেৰিকা আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতিৰ মাজত বহু প্ৰত্যাশিত আলোচনা অনুষ্ঠিত হ'ব।

***আৰু***

৫। ভাৰতৰ অংকিতা ধ্যানীয়ে গ্ৰেণ্ডশ্লেম জেৰুজেলেম প্ৰতিযোগিতাৰ ২০০ মিটাৰ ষ্টিপল চেজৰ খিতাপ অৰ্জন কৰিছে।

ooooo

সমগ্ৰ দেশে আজি ৭৯ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিছু সময় পাছত লালকিল্লাৰ প্ৰাচীৰত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব আৰু ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ চৰকাৰৰ দৃষ্টিভংগীৰ দিশে দেশ ধাৱমান হোৱাৰ সময়ত উদযাপিত এইবাৰৰ স্বাধীনতা দিৱসৰ মূল বিষয়বস্তু হৈছে – 'নতুন ভাৰত'। এই উদযাপনে সমৃদ্ধিশালী, সুৰক্ষিত আৰু সাহসী নতুন ভাৰতৰ ক্ৰমবৰ্ধমান উত্থানৰ বাবে এখন মঞ্চ হিচাপে কাম কৰিব আৰু প্ৰগতিৰ পথত অগ্ৰসৰ হোৱাৰ বাবে নতুন শক্তি যোগান ধৰিব। এইবেলি স্বাধীনতা দিৱসত অপাৰেচন সিন্দূৰৰ সাফল্য উদযাপন কৰা হ'ব। স্বাধীনতা দিৱসৰ বাবে অপাৰেচন সিন্দূৰৰ ল'গ'ৰ লগতে চেনাব দলঙৰ ৱাটাৰমাৰ্কযুক্ত নিমন্ত্ৰণ পত্ৰ ব্যৱহাৰ কৰা হৈছে। সমাজৰ বিভিন্ন ক্ষেত্ৰৰ প্ৰায় ৫ হাজাৰ বিশেষ অতিথিক লালকিল্লাত স্বাধীনতা দিৱস উদযাপনৰ অনুষ্ঠান চাবলৈ আমন্ত্ৰণ জনোৱা হৈছে। ইয়াৰ ভিতৰত বিশেষ অলিম্পিক ক্ৰীড়া মহোৎসৱ, ২০২৫-ত অংশগ্ৰহণ কৰা ভাৰতীয় খেলুৱৈৰ দল, আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত পদক বিজেতা আৰু খেল' ইণ্ডিয়া পেৰা গেমছত সোণৰ পদক বিজয়ী খেলুৱৈসকল আছে। জনসাধাৰণক দেশপ্ৰেমৰ ভাৱনাৰে উদ্বুদ্ধ কৰাৰ লগতে অপাৰেচন সিন্দূৰৰ সাফল্যৰ উদযাপনকল্পে স্বাধীনতা দিৱসৰ দিনা সন্ধিয়া প্ৰথমবাৰৰ বাবে দেশজুৰি ভালেসংখ্যক বেণ্ডে সংগীত পৰিৱেশন কৰিব। স্থলসেনা, নৌসেনা, বায়ুসেনা, উপকূলৰক্ষী বাহিনী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, ভাৰত-তিব্বত সীমান্ত আৰক্ষী বাহিনী, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিন, সীমান্ত সুৰক্ষা বাহিনী, এছ এছ বি, ৰে'ল সুৰক্ষা বাহিনী, সংহত প্ৰতিৰক্ষা গোট আৰু আছাম ৰাইফলছৰ বেণ্ডে সমগ্ৰ দেশৰ ১৪০টা গুৰুত্বপূৰ্ণ স্থানত সংগীতৰ সুৰ পৰিৱেশন কৰিব।

০০০০০

ভাৰত ২০৪৭ চনৰ ভিতৰত উন্নত অৰ্থ ব্যৱস্থা হোৱাৰ দিশে ধাৱমান হৈছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাক্ সন্ধিয়া ৰাষ্ট্ৰক উদ্দেশি দিয়া ভাষণত শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে সামাজিক খণ্ডৰ উদ্যমৰ লগতে সৰ্বাংগীন অৰ্থনৈতিক বিকাশৰ বাবে এয়া সম্ভাৱ হৈ উঠিছে। তেওঁ কয়, যে অমৃত কাল অৰ্থাৎ স্বাধীনতা লাভৰ ৭৫ বছৰৰ পৰা ১০০ বছৰৰ সময়ছোৱাত দেশ প্ৰগতিৰ পথত আগবাঢ়িছে আৰু প্ৰতিগৰাকী নাগৰিকে এই ক্ষেত্ৰত সামৰ্থ্য অনুযায়ী অৱদান আগবঢ়াইছে। যুৱ প্ৰজন্ম, মহিলা আৰু দীৰ্ঘ সময় ধৰি উপান্ত শ্ৰেণীৰ আওতাত থকা সম্প্ৰদায়সমূহে বিকশিত ভাৰতৰ নেতৃত্ব বহন কৰিব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে আস্থা প্ৰকাশ কৰে। শ্ৰীমতী মুৰ্মুৱে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণত নিৰীহ লোকৰ হত্যাক কাপুৰুষালিভৰা আৰু অমানৱীয় কাৰ্য বুলি অভিহিত কৰে। তেওঁ কয়, যে ভাৰতে অপাৰেচন সিন্দূৰৰ জৰিয়তে নিৰ্ণায়ক আৰু দৃঢ় সংকল্পৰে এই আক্ৰমণৰ যোগ্য প্ৰত্যুত্তৰ দিয়ে। এই অপাৰেচনৰ পৰা দেশৰ সেনা বাহিনী যে যিকোনো পৰিস্থিতিৰ সন্মুখীন হ'ব পৰাকৈ সম্পূৰ্ণ ৰূপে সাজু সেয়া স্পষ্ট হৈ পৰে। শ্ৰীমতী মুৰ্মুৱে কৌশলগত স্পষ্টতা আৰু কাৰিকৰী সামৰ্থ্যৰে সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদী ঘাটি ধবংস কৰাৰ বাবে সশস্ত্ৰ বাহিনীসমূহক ভূয়সী প্ৰশংসা কৰে। অপাৰেচন সিন্দূৰৰ প্ৰশংসা কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ইতিহাসৰ পাতত এই অভিযান সন্ত্ৰাসবাদৰ বিৰুদ্ধে মানৱতাৰ যুঁজ নিদৰ্শন ৰূপে লিপিবদ্ধ হ'ব।

তেওঁ কয়, যে আক্ৰমণাত্মক নহয়, কিন্তু ভাৰতে যে দেশ ৰক্ষাৰ বাবে যোগ্য প্ৰত্যুত্তৰ দিবলৈ কুণ্ঠাবোধ নকৰে, সেয়া বিশ্বই প্ৰত্যক্ষ কৰিছে। অপাৰেচন সিন্দূৰ প্ৰতিৰক্ষা ক্ষেত্ৰত আত্মনিৰ্ভৰ ভাৰত অভিযানৰ পৰীক্ষা আছিল বুলিও ৰাষ্ট্ৰপতিয়ে মন্তব্য কৰে। তেওঁ কয়, যে দেশৰ থলুৱা নিৰ্মাণে গুৰুত্বপূৰ্ণ পৰ্যায়ত উনীত হৈছে আৰু ইয়াৰ ফলত সুৰক্ষা আৱশ্যকতা পূৰণৰ ক্ষেত্ৰত ভাৰত আত্মনিৰ্ভৰ হৈ উঠিছে। এয়া স্বাধীনতা লাভৰ পাছত দেশৰ প্ৰতিৰক্ষা ইতিহাসৰ অভূতপূৰ্ব সাফল্যৰূপে পৰিগণিত হৈছে বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে।

তেওঁ কয়, যে যোৱা বিত্তীয় বৰ্ষত ৬ দশমিক ৫ শতাংশৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰেৰে ভাৰত বিশ্বৰ গুৰুত্বপূৰ্ণ অৰ্থ ব্যৱস্থাসমূহৰ ভিতৰত সবাতোকৈ বিকাশশীল অৰ্থব্যৱস্থা ৰূপে পৰিগণিত হৈছে। তেওঁ কয়, যে গোলকীয় অৰ্থ ব্যৱস্থাত দেখা দিয়া হেঁচা স্বত্বেও দেশত ঘৰুৱা চাহিদা বৃদ্ধি পাইছে আৰু মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণত আছে আৰু ৰপ্তানিও বৃদ্ধি পাইছে। ঘাই ঘাই সূচ্যাকসমূহে অৰ্থ ব্যৱস্থা সুস্থ হৈ থকাৰ ইগিংত বহন কৰিছে বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে সতৰ্কতাভাৱে গ্ৰহণ কৰা সংস্কাৰ আৰু দক্ষ আৰ্থিক ব্যৱস্থাপনাৰ বাবে এয়া সম্ভৱ হৈ উঠিছে। তেওঁ কয়, যে সু-প্ৰশাসনৰ মাধ্যমেৰে ভালেসংখ্যক লোকক দৰিদ্ৰতাৰ গ্ৰাসৰ পৰা মুক্ত কৰা হৈছে। আয়ৰ অসমতা হ্ৰাস পোৱা আৰু আঞ্চলিক বৈষম্য হ্ৰাস পোৱাক লৈ ৰাষ্ট্ৰপতিয়ে সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয়, যে পূৰ্বতে দুৰ্বল অৰ্থনৈতিক প্ৰদৰ্শনৰ বাবে জনাজাত ৰাজ্য আৰু অঞ্চলসমূহেও সম্প্ৰতি প্ৰকৃত সম্ভাৱনা বাস্তৱায়িত কৰি অগ্ৰণী ৰাজ্যসমূহৰ সৈতে ফেৰ মাৰিব পৰা হৈছে। শ্ৰীমতী মুৰ্মুৱে কয়, যে ভাৰতমালা প্ৰকল্পৰ অধীনত ৰাষ্ট্ৰীয় ঘাইপথ নেটৱৰ্কৰ সম্প্ৰসাৰণ কৰা হৈছে আৰু ইয়াক সুদৃঢ় কৰি তোলা হৈছে। তেওঁ কয়, যে ৰে'ল বিভাগে নতুন নতুন প্ৰকাৰৰ ৰে'লগাড়ী আৰু শেহতীয়া প্ৰযুক্তিৰে সু-সজ্জিত ডবা প্ৰৱৰ্তন কৰি উদ্ভাৱণৰ পৰিচয় দিছে। শ্ৰীমতী মুৰ্মুৱে কাশ্মীৰ উপত্যকাত ৰে'লপথৰ উদ্বোধনক গুৰুত্বপূৰ্ণ সাফল্য বুলি অভিহিত কৰে।

ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে দ্ৰুত নগৰীকৰণৰ পৰিপ্ৰেক্ষিতত চৰকাৰে মেট্ৰ' ৰে'লৰ সম্প্ৰসাৰণকে ধৰি চহৰসমূহৰ স্থিতিৰ উন্নয়নত বিশেষ গুৰুত্ব আৰোপ কৰিছে। চৰকাৰে বুনিয়াদী সা-সুবিধাসমূহক নাগৰিকসকলৰ অধিকাৰ বুলি অভিহিত কৰে। তেওঁ কয়, যে গ্ৰামাঞ্চলৰ পৰিয়ালসমূহলৈ নল যোগে পানী যোগানৰ ক্ষেত্ৰত জলজীৱন মিছনে বিপ্লৱৰ সূচনা কৰিছে।

ৰাষ্ট্ৰপতি মুৰ্মুৱে তেওঁৰ ভাষণত আয়ুষ্মান ভাৰতৰ অধীনত বিভিন্ন উদ্যমসমূহে স্বাস্থ্য খণ্ডত আমূল পৰিৱৰ্তনৰ সূচনা কৰা বুলি অভিহিত কৰে। তেওঁ কয়, যে এই আঁচনিৰ অধীনত ইতিমধ্যে ৫০ কোটিৰো অধিক লোকক সামৰি লোৱা হৈছে। শ্ৰীমতী মুৰ্মুৱে কয়, যে চৰকাৰে আয় নিৰ্বিশেষে ৭০ বছৰ আৰু ইয়াৰ উৰ্ধৰ সকলো জ্যেষ্ঠ নাগৰিকলৈ এই সুবিধা সম্প্ৰসাৰিত কৰিছে।

ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে কৃত্ৰিম বুদ্ধিমত্তা কাৰিকৰী প্ৰগতিৰ পৰৱৰ্তী পৰ্যায় আৰু এই প্ৰযুক্তিয়ে ইতিমধ্যে জনসাধাৰণৰ জীৱনত ভূমুকি মাৰিবলৈ লৈছে। দেশৰ কৃত্ৰিম বুদ্ধিমত্তা সামৰ্থ্যৰ বিকাশৰ বাবে চৰকাৰে ইণ্ডিয়া এ আই মিছন আৰম্ভ কৰিছে বুলি শ্ৰীমুৰ্মুৱে উল্লেখ কৰে। তেওঁ কয়, যে ২০৪৭ চনৰ ভিতৰত গোলকীয় কৃত্ৰিম বুদ্ধিমত্তাৰ কেন্দ্ৰ হোৱা বাবে ভাৰতে শাসন ব্যৱস্থাৰ উন্নয়নৰ জৰিয়তে জীৱনৰ মান উন্নত কৰাৰ অৰ্থে জনসাধাৰণৰ বাবে উন্নত প্ৰযুক্তিৰ সৰ্বোকৃষ্ট ব্যৱহাৰত গুৰুত্ব আৰোপ কৰি যাব।

যুৱ প্ৰতিভাৰ বলত দেশৰ মহাকাশ কাৰ্যসূচী অভূতপূৰ্বভাৱে সম্প্ৰসাৰিত হৈছে বুলি ৰাষ্ট্ৰপতিয়ে উল্লেখ কৰে। তেওঁ লগতে সুভাংশু শুক্লাৰ মহাকাশ যাত্ৰাই যুৱ প্ৰজন্মক বৃহৎ সপোন দেখিবলৈ অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰে।

ooooo

আলাস্কাত আজি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ মাজত বহু প্ৰত্যাশিত আলোচনা অনুষ্ঠিত হ'ব। বৈঠকৰ পূৰ্বে ট্ৰাম্পে কয় যে, ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে চুক্তি কৰিব বিচাৰে বুলি তেওঁ নিশ্চিত। উল্লেখযোগ্য যে, ইয়াৰ পূৰ্বে আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে ৰাছিয়াক ভাবুকি দিছিল যে যদি পুটিনে ইউক্ৰেইনত যুদ্ধ শেষ কৰিবলৈ সন্মত নহয় তেন্তে ইয়াৰ পৰিণতি অতি ভয়াৱহ হ'ব। আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কৈছে যে আজিৰ এই আলোচনা সুকলমে সম্পন্ন হ'লে তেওঁ ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিৰ সৈতে ত্ৰিপাক্ষিক বৈঠকৰ দিশত আগবাঢ়িব। হোৱাইট হাউছে প্ৰকাশ কৰা মতে, এই বৈঠকৰ অন্তত আজি নিশা ট্ৰাম্প আৰু পুটিনে যৌথ সংবাদমেল অনুষ্ঠিত কৰিব।

ooooo

ভাৰতৰ অংকিতা ধ্যানীয়ে গ্ৰেণ্ডশ্লেম জেৰুজেলেম ২০২৫ প্ৰতিযোগিতাৰ মহিলাৰ ২০০ মিটাৰ ষ্টিপল চেজৰ খিতাপ অৰ্জন কৰিছে। অংকিতাই ৬ মিনিট আৰু ১৩ দশমিক ৯-২ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি শীৰ্ষ স্থান দখল কৰে। খেলুৱৈগৰাকীয়ে এই জয়েৰে এই শিতানত নতুন ৰাষ্ট্ৰীয় অভিলেক গঢ়িছে। ইজৰাইলৰ এডৱা কোহেনে দ্বিতীয় আৰু ডেনমাৰ্কৰ জুলিয়ন হ্বিদে তৃতীয় স্থান লাভ কৰে।

ooooo

**সমাপ্ত**